

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে গণ-আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ ছহীদ সকলক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। দ্বিতীয়তে মোৰ হিয়াৰ ফুলাম গামোছাখনিৰে ধন্যবাদৰ শৰাই আগবঢ়ালোঁ। সেই সকল বন্ধু-বান্ধৱীলৈ, যি সকলে মোক ১৯৮৭-৮৮ ইং চনৰ নিৰ্বাচনত জয়যুক্ত কৰি সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ পদ অৰ্পণ কৰিলে। লগতে মোৰ কাৰ্য্যভাৰ চলাই নিয়াত যি সকলে অকৃত্ৰিম সহায়-সহযোগ আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।।

সাংস্কৃতিক বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আমাৰ মহাবিদ্যালয়ত বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। উক্ত মহাবিদ্যালয় সপ্তাহ ৮।২।৮৮ ইং তাৰিখৰ পৰা ১৩।২।৮৮ ইং তাৰিখলৈ উলহ-মালহেৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহত আয়োজন কৰা সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি নিজ নিজ প্ৰতিভাৰ পৰিচয় দিয়ে।

আন আন বেলিৰ দৰে আমাৰ মহাবিদ্যালয় সপ্তাহত সংগীত প্ৰতিযোগিতাৰ লগে লগে এই বেলিও ভেশছন, কৌতুক, একক অভিনয়, নৃত্য আৰু একাংকিকা নাট প্ৰতিযোগিতা পতা হয়। উক্ত প্ৰতিযোগিতা সমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি আমাক উৎসাহিত কৰে। কিন্তু বৰ পৰিতাপৰ কথা এই যে আমাৰ মহাবিদ্যালয়ত কোনো স্থায়ী মঞ্চ নথকাত সংগীতৰ বাহিৰে উক্ত কাৰ্যসূচী সমূহ বকো হাইস্কুললৈ নিবলগীয়া হয়। তাৰবাবে আমি বহু অসুবিধাত পৰোঁ। সেয়ে মই এইখিনিতে মঞ্চৰ অভাৱ পূৰণ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো। আকৌ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক জনাওঁ যে সংগীতৰ বাদ্য-যন্ত্ৰ ভালে ৰাখিবলৈ এটা আলমাৰিৰ দৰকাৰ। কাৰণ বাদ্য যন্ত্ৰ মুকলি অৱস্থাত ৰাখিলে ই অতি সোনকালে

ব্যৱহাৰৰ অনুপযোগী হৈ যাব পাৰে।

মোৰ কাৰ্যকাল ছোৱাত প্ৰাৰম্ভৰে পৰা শেষলৈ প্ৰতি মুহূৰ্ততে দিহা পৰামৰ্শ দিয়া তত্ত্বাৱধায়ক শিক্ষাগুৰু শ্ৰীবসন্ত দত্তদেৱলৈ মোৰ কৃতজ্ঞতা জনালোঁ। সদৌ শেষত অহৰ্নিশে মোৰ লগে লগে থাকি সকলো কামতে আন্তৰিক প্ৰেৰণা যোগোৱা গ্ৰন্থাগাৰ সহকৰ্মী শ্ৰীভাৰত চৌধুৰী দেৱলৈ মোৰ মৰম তথা শলাগৰ শৰাই আগবঢ়ালোঁ।

প্ৰতিবেদনৰ সামৰণিত কব বিচাৰিছোঁ, মোৰ কাৰ্যকালৰ ভিতৰত কি কৰিব পাৰিছিলোঁ তাৰ বিচাৰ আপোনালোকৰ হাতত।

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

জয়তু 'জৱাহৰ জ্যোতি'

শ্ৰদ্ধাৰে—

শ্ৰীজাহ্নৱী দাস

সম্পাদিকা, সাংস্কৃতিক বিভাগ।



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আদিতে যিসকল বন্ধু-বান্ধৱীৰ মৰম আৰু বিশ্বাসে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৭-৮৮ চনৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকা পদত বিনা প্ৰতিদ্বন্দ্বিতাই গুৰু দায়িত্ব বহন কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

বিভাগীয় দায়িত্ব গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্য্যসূচীৰ লগতে তৰ্ক, আকস্মিক বক্তৃতা আবৃত্তি (ইংৰাজী আৰু অসমীয়া), কুইজ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা কম আছিল যদিও প্ৰত্যেকটো প্ৰতিযোগিতাৰে মানদণ্ড নিম্ন মানৰ হোৱা নাছিল। কিন্তু বৰ পৰিতাপৰ কথা যে প্ৰতিযোগীসকলৰ বাহিৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ সংখ্যা নিচেই তাকৰ। সেয়ে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে সকলো প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰিব বুলি আশা ৰাখিলোঁ।

মোৰ কাৰ্যকাল ছোৱাত মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা সমূহ চলাই নিয়াত যি কেইগৰাকী শিক্ষাগুৰুৰ পৰামৰ্শ আৰু সহায় সহযোগিতা পাইছোঁ তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আগবঢ়াইছোঁ। বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মঃ মজিবৰ ৰহমান চাৰে বিভিন্ন ক্ষেত্ৰত নানা দিহা-পৰামৰ্শ, সহায় সহযোগিতা কৰি সুচাৰুৰূপে কাম চলাই নিয়াত মোক যি সহায় আগবঢ়ালে তাৰবাবে তেখেতলৈ মোৰ কৃতজ্ঞতা জনাইছোঁ। লগতে মোৰ জ্ঞাত বা অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰাৰ লগতে আলোচনী "জৱাহৰ জ্যোতি"ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয় আই অসম'

জয়তু 'জৱাহৰ জ্যোতি'


ধন্যবাদেৰে—

শ্ৰীদুৰ্গাৰাণী কলিতা

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়

ছাত্ৰ একতা সভা।



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে 'জৱাহৰ জ্যোতি' প্ৰেমী আৰু বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

১৯৮৭-৮৮ ইং চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত হওঁ। তাৰ পিছতেই বিভাগীয় দায়িত্ব বহন কৰি মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব পালন কৰিবলৈ মনস্থ কৰোঁ। বছৰটোৰ ভিতৰত যিখিনি কাম-কাজ কৰা হ'ল আৰু ইয়াৰ বাবে যি সকল বন্ধু-বান্ধৱীয়ে মনে প্ৰাণে খাটিলে, সহায় সহযোগ আগবঢ়ালে তেখেত সকলৰ আটাইলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা নিবেদন কৰিলোঁ।

(আমি জানো সমাজ সেৱা শিক্ষাৰ এটা প্ৰধান অংগ। মহাবিদ্যালয়ৰ চাৰিবেৰ আৰু পাঠ্যপুথিত আৱদ্ধ হৈ থাকিলে মানসিক উৎকৰ্ষ আৰু জ্ঞানৰ পৰিধি বিস্তাৰত বাধাৰ সৃষ্টি হয়। সেয়েহে সমাজ সেৱাই মানুহৰ সৰ্বাংগীন উন্নতিত সৃজনী আৰু গঠন মূলক চিন্তাধাৰা গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সমাজ সেৱা আঁচনি আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি দুয়োটাৰে ওতঃ প্ৰোতঃ সম্বন্ধ আছে।)

মোৰ কাৰ্যকালত যিমানখিনি কাম কৰিম বুলি ভাবিছিলো সেইখিনি কৰিব পৰা নাই। মাত্ৰ কেইটামান কামতহে হাত দিবলৈ সময় আৰু সুযোগ পাইছিলো। সেইবোৰৰ ভিতৰত সৰস্বতী পূজাৰ যাবতীয় কাম কাজ, ৰভা নিৰ্মাণ, বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা আদি কিছুমান কাম কৰা হয়। ২।৯।৮৮ ইং তাৰিখে বানপীড়িত লোক সকলৰ সাহায্যাৰ্থে কিছু বাঁহ কাটি অনা হয় আৰু বকো হাইস্কুলত আশ্ৰয় প্ৰাৰ্থী সকলৰ শিবিৰত কিছু সহায় আগবঢ়োৱা হয়। ১৩।১০।৮৮ ইং তাৰিখত হবলগীয়া মহাবিদ্যালয় নৱাগত আদৰণি উৎসৱ উদযাপনৰ বাবে মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰাৰ কাম হাতত লোৱা হয়। মহাবিদ্যালয়ৰ নৱাগত আদৰণি উৎসৱ কৃতকাৰ্যতাৰে

অতিবাহিত হৈ যায়। ২৬ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ চমৰীয়া হাইস্কুলত 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' আমাৰ মহাবিদ্যালয়ৰ সৌজন্যত উদ্‌যাপিত হয়। এই শিবিৰত আমাৰ সমাজ সেৱা বিভাগ প্ৰত্যক্ষভাবে জড়িত হয়। বান বিধ্বস্ত অঞ্চলত দুৰ্গত লোকসকলৰ সাহায্যাৰ্থে— বিভিন্ন কাম কাজ বিশেষকৈ ঘৰ মেৰামতি, বাটপথ মেৰামতি, বেৰদিয়া আদি কিছুমান জৰুৰী কামত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰম নিবেদন কৰি সেই অঞ্চলৰ ৰাইজক কিছু সকাহ দিয়ে।

মোৰ কাৰ্যকালৰ সময় ছোৱাত সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত দেবেন্দ্ৰ নাথ শৰ্মাদেৱ আৰু অন্যান্য অধ্যাপক/অধ্যাপিকাবৃন্দই আমাক কামত দিহা-পৰামৰ্শ দিয়াৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি' আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয় আই অসম' 'জয় হিন্দ্'

ধন্যবাদেৰে


শ্ৰীপ্ৰণয় প্ৰাণ কলিতা

সম্পাদক,

সমাজ সেৱা বিভাগ

জৱাহৰলাল নেহৰু মহাবিদ্যালয়

বকো।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

সৰ্বাংগ সুন্দৰ সমাজ এখন গঢ়ি তুলিবলৈ হ'লে জীৱ শ্ৰেষ্ঠ মানৱে বিভিন্ন সময়ত বিভিন্ন দায়িত্ব লবলগা হয়। সেয়ে সামাজিক উন্নতি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উন্নতি কল্পে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰোঁ।

১৯৮৭-৮৮ ইং চনৰ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে হবলৈ সুযোগ কণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ শুভেচ্ছা প্ৰতিবেদনৰ যোগে জনালোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ যদিও গধুৰ দায়িত্ব থাকে তথাপি আমাৰ মহাবিদ্যালয়ৰ ক্ষেত্ৰত সেই দায়িত্ব পাতল। কাৰণ মহাবিদ্যালয় বুলিলে তাৰ যাৱতীয় সামগ্ৰীৰ সৈতে এটা আহল বহল জিৰণি কোঠাৰ নিতান্ত প্ৰয়োজন। কিন্তু আমাৰ মহাবিদ্যালয়ত ছাত্ৰ জিৰণি কোঠা নাই। লগতে খেলৰ সামগ্ৰীও আৱশ্যক অনুযায়ী নাই; মাত্ৰ কেৰম আৰু বেড্‌মিন্টন আছে যদিও সংখ্যাত নিচেই তাকৰ। ইয়াৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অতীতৰে পৰা অভাৱ অনুভৱ কৰি অহা খেলৰ সামগ্ৰীটো হ'ল টেবুল টেনিচ। সেয়ে এই প্ৰতিবেদনৰ যোগে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যাতে এইবোৰ অভাৱ পূৰণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশত ইন্ধন যোগায়। এয়ে আমাৰ কামনা।

বিগত বছৰবোৰৰ দৰে এইবেলিও ৮।২।৮৮ ইং তাৰিখৰ পৰা ১৪।২।৮৮ ইং তাৰিখলৈ জাক-জমকতাৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। বহু সংখ্যক প্ৰতিযোগীয়ে কেৰম আৰু বেড্‌মিন্টন খেলত অংশ গ্ৰহণ কৰি আমাক উৎসাহিত কৰে। আমি আশা ৰাখিছোঁ যাতে অদূৰ ভৱিষ্যতলৈ ছাত্ৰ-ছাত্ৰী সকলৰ খেলৰ প্ৰতি আগ্ৰহ থাকে।

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহত বিচাৰ কৰি দিয়াৰ বাবে আৰু বিগত

বছৰটোত আমাক সকলো কালব পৰা সহায় আগবঢ়োৱাব বাবে ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় ভৱেশ গোস্বামী আৰু অন্যান্য অধ্যাপক/অধ্যাপিকাব লগতে যিসকলে সৰ্বতো প্ৰকাৰে সহায় সহযোগিতা আগবঢ়ালে সেই সকলব ভিতৰত সৰ্বশ্ৰী অমব দাস, প্ৰদীপজ্যোতি, জ্যোতিষ, দিলীপ, আমজাদ, সুনীল, অৱনী, ভূষণ, পদুমী, পুষ্প, ললিতা, দিপীকা, পবেশ, নাছিব আৰু বামদয়াললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত প্ৰতিবেদনব অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা মাগিলোঁ। জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু "জৱাহৰ জ্যোতি"ৰ উত্তৰোত্তৰ কামনাৰে প্ৰতিবেদনব সামৰণি মাৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে—

বিপুল দাস

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

জৱাহৰলাল নেহৰু মহাবিদ্যালয়।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱী তথা পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষক-বৃন্দলৈ মোৰ ভক্তিভৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ হাতত লোৱাৰ পাছতেই অইন বাৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে, সেইকেইদিন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা আছিল। যাৰফলত প্ৰতিযোগিতা কিছুমান পাতিব পৰা নহ'ল। বিশেষকৈ ছোৱালীৰ কিছুমান খেল। সেয়ে মোৰ অনুৰোধ যাতে তেওঁলোকে ভৱিষ্যতে প্ৰত্যেক খেলতে যোগদান কৰি নিজৰ প্ৰতিভা বৰ্দ্ধনৰ লগতে অনুষ্ঠানবোৰৰো সফলতা বৰ্দ্ধন কৰে।

বহু আশা বুকুত বান্ধি কিছুমান কাম কৰিম বুলি ছাত্ৰ একতা সভাৰ দৰে মহান অনুষ্ঠানত সোমাই পৰিছিলোঁ। মনত যিমান হেঁপাহ কৰিছিলোঁ সেইখিনি বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ। তাৰবাবে মই সমূহ বন্ধু-বান্ধৱী সকলৰ পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। মানুহৰ অভাৱ অন্তহীন বুলি প্ৰত্যেক ব্যক্তিৰে জ্ঞাত। কিন্তু তথাপিও মই দুখেৰে প্ৰকাশ কৰোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ অনুপাতে জিৰণি কোঠাটো যথেষ্ট সৰু হৈছে। আনহাতে তাত উপযুক্ত আহিলা-পাতিৰ অভাৱ। বহিবলৈ ডেস্ক-বেঞ্চৰ অভাৱত বহিব কষ্ট হয় আৰু পানী খোৱাৰ বাবে পাত্ৰৰ অভাৱ। বিশেষকৈ পানী ৰখা পাত্ৰ। আকৌ ছোৱালীবোৰে খেলৰ আহিলা-পাতিৰ অভাৱ অনুভৱ কৰি আছে। গতিকে মোৰ পিছৰ সম্পাদিকাক কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি অভাৱ অভিযোগ সমূহ আংশিক পৰিমাণে হ'লেও লাঘৱ কৰিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালৰ সময় ছোৱাত বিভাগীয় তত্ত্বাৱধায়িকা মিচ্ ৰুমিতা ফুকন বাইদেউ প্ৰমুখ্যে মাননীয় শিক্ষাগুৰু সকলৰ দিহা-পৰামৰ্শ আৰু বন্ধু-বান্ধৱীৰ সহায়-সহযোগিতাৰ বাবে তেওঁলোকলৈ মোৰ কৃতজ্ঞতাৰ শৰাই যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালৰ ভিতৰত হোৱা অজ্ঞাত ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰি, বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ লগতে ছাত্ৰ একতা সভাৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—
মিচ্ লীলা দাস।
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।



# আলোচনী সম্পাদকৰ ব্যক্তিগত দুআষাৰ ঃ

এখন মহাবিদ্যালয়ৰ আলোচনী হৈছে সেই-খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মনৰ ভাৱ প্ৰকাশ কৰা একমাত্ৰ আহিলা—যাৰ জৰিয়তে তেওঁলোকে কলেজীয়া জীৱনত লাভ কৰা অভি-জ্ঞতাৰ খতিয়ান দাঙি ধৰিব পাৰে।

স্কুলীয়া শিক্ষাৰ শেষত প্ৰথমটো উচ্চ শিক্ষাৰ স্তৰ হ'ল মহাবিদ্যালয়ৰ শিক্ষা। সেয়ে মহা-বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষকবৃন্দৰ স্বাক্ষৰ বহনকাৰী আলোচনীখনৰ মানদণ্ড কেনে হোৱা উচিত সেইটো প্ৰতিজন সংশ্লিষ্ট ব্যক্তি অনৱগত নহয়। এই আলোচনীখনৰ মাজতে প্ৰতিফলিত হয় মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা। সেয়ে ইয়াক উন্নতিৰ সোপানত তুলি দিবলৈ হ'লে ছাত্ৰ-ছাত্ৰী সকলৰ একাগ্ৰতা আৰু উচ্চমান বিশিষ্ট লিখনিৰ দৰকাৰ। সেই কাৰণে আমি ছাত্ৰ সকলে এটা কথা সদায় মনত ৰখা উচিত। সেইটো হৈছে—উচ্চ চিন্তাতহে উচ্চ ভাৱ সঞ্চাৰিত হয়। আজি আমাক এনে লিখনিৰ আৱশ্যক হৈ পৰিছে যি সমাজৰ দুৰ্নীতি, অন্ধবিশ্বাস আদি আঁতৰাই এখন সুস্থ সবল সমাজ ৰচনা কৰাত সহায় হ'ব পাৰে। এনে কল্পনাৰে ছাত্ৰ-ছাত্ৰী তথা উদীয়মান কবি সাহিত্যিক সকল আগবাঢ়ি আহিব লাগিব। তেতিয়াহে মহাবিদ্যালয়ৰ আলোচনী এখন প্ৰকাশৰ সাৰ্থকতা হব।

এনে মহান উদ্দেশ্য সাৰোগত কৰি ধৈৰ্য, একাগ্ৰতা আৰু সুস্থ চিন্তাৰে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে কাপ-কাঠি হাতত ললে আমাৰ আলোচনী খনৰ সৌষ্ঠৱ যে নিশ্চয় বৃদ্ধি হৈ উঠিব তাত সন্দেহ নাই।

কিন্তু এই খিনিতে আমি আক্ষেপেৰে প্ৰকাশ কৰিবলৈ বাধ্য হৈছো যে আমাৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ লিখনি সমূহত বেছি কষ্ট কৰা দেখা নাযায়। যাৰ ফলত আলোচনীৰ তত্বাৱধায়ককে আদি কৰি সম্পাদনা সমিতিৰ শিক্ষকবৃন্দই বেছিভাগ লিখনিত হাতফুৰাই নতুনত্ব প্ৰদান কৰিবলগীয়া হয়। লগতে আৰু

এটা কথা উনুকিয়াই থোৱা সমীচীন হ'ব যে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ লিখনি সমূহ সম্পাদকৰ হাতত জমা দিয়াত অৱহেলা কৰা পৰিলক্ষিত হয়। যাৰ ফলত সম্পাদকে কাৰ্য-ভাৰ গ্ৰহণ কৰাৰ পৰা আৰম্ভ কৰি আলোচনী প্ৰেছমুখী হোৱালৈকে প্ৰৱন্ধ পাতি বিচাৰি কেবাবাৰলৈ জাননী দিব লগাত পৰে। মূলতঃ এই দুটা কাৰণতে আলোচনীখন আগতীয়াকৈ প্ৰকাশ হোৱাত বাধাৰ সৃষ্টি হয়।

সেয়ে আমি সমূহ ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰোঁ যাতে ভৱিষ্যতে তেওঁলোকে এই দুয়োটা কথালৈ মনত ৰাখে আৰু আমাৰ আলোচনীখন গাম্ভীৰ্য অটুট ৰাখি আলোচনীখন আগতীয়াকৈ প্ৰকাশ কৰাত সহায় কৰে।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

যোৱা ইং১৯৮৭-৮৮ চনৰ নিৰ্বাচনত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক আলোচনী সম্পাদকৰ পদত জয়যুক্ত কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত সহায় কৰিলে তেওঁলোকলৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা নিবেদন কৰিছোঁ। লগতে আলোচনীখন সৰ্ব্বাংগ সুন্দৰকৈ প্ৰস্তুত কৰাত অৰিহণা আগবঢ়োৱা সম্পাদনা সমিতিৰ শিক্ষাগুৰুবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয় প্ৰমুখ্যে যি সকল শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীয়ে তেওঁলোকৰ বহুমূলীয়া প্ৰৱন্ধ-পাতি যোগান ধৰি অথবা আন প্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াই সহায়ৰ হাত আগবঢ়ালে তেখেত সকলৰ ওচৰত আৰু উৎসাহ উপদেশ সহায় সহযোগিতা আদিৰে আমাক আগবাঢ়ি যোৱাত সহায় কৰা বাবে অন্যান্য শিক্ষাগুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ ওচৰত আমি ঋণী। আলোচনী সংক্ৰান্তত বিভিন্ন সময়ত বিভিন্ন কাৰণত সহায় সহযোগিতা লবলগীয়া হোৱা কাৰণে মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ মুখ্য সহায়ক শ্ৰীকণক দাস প্ৰমুখ্যে কাৰ্যালয়ৰ বাকী সকললৈ আমাৰ আন্তৰিক শলাগ জ্ঞাপন কৰিলোঁ।


মোৰ কাৰ্যকালত সকলো দিশৰ পৰা সহায় সহযোগিতাৰ লগতে বিভিন্ন অভিজ্ঞতা দান কৰা শিক্ষাগুৰু মাননীয় অধ্যাপক দিলীপ দাসৰ চৰণত মোৰ শিৰ সদায় নত। লগতে মোৰ বন্ধু-বান্ধৱী পৰাগ, গৌতম, মীৰা, মনোমোহন, অঞ্জু, নমিতা আৰু অক্ষয়লৈ মোৰ মৰম আৰু কৃতজ্ঞতা থাকিল।

জৱাহৰ জ্যোতিৰ এই সংখ্যাটি প্ৰকাশৰ দায়িত্ব লোৱা বাবে জনতা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত যোগেশ পাল ডাঙৰীয়া আৰু প্ৰেছৰ অন্যান্য কৰ্মীলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।


শেষত অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্তৃপক্ষ, শিক্ষাগুৰু, সমূহ ছাত্ৰ-ছাত্ৰী আৰু সুধী পঢ়ুৱৈ ৰাইজৰ ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা মাগি ভৱিষ্যতলৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ লগতে 'জৱাহৰ জ্যোতি'ৰ উন্নতি কামনা কৰিলোঁ।

ধন্যবাদেৰে
শ্ৰীশংকৰ মহন্ত
সম্পাদক, জৱাহৰ জ্যোতি।


## আমাৰ প্ৰতিভা ঃ




মিচ্. জুৰি বৰুৱা
বছৰৰ শ্ৰেষ্ঠা গায়িকা



মিচ্. ৰঞ্জু গোস্বামী
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



জ্যোতিষ দাস
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



কমল কলিতা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা

## আমাৰ আৰু এক প্ৰতিভা ঃ



১৯৮৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় খেল মহোৎসৱৰ দেহশ্ৰী প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰি 'মিঃ গুৱাহাটী ইউনিভাৰচিটি' সন্মানেৰে বিভূষিত হোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিতেন কলিতা। উল্লেখযোগ্য যে ১৯৮৬ চনতো শ্ৰীকলিতা একে সন্মানেৰে বিভূষিত হৈছিল।

# ১৯৮৭-৮৮ ইং চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ঃ

## খেল বিভাগৰ ফলাফল ঃ

### ঃ ল'ৰাৰ শাখা ঃ

১০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
২য়— „ ৰিণ্টু ৰবা (উঃ মাঃ ১ম)

২০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
২য়— „ বিজেন ৰাভা (উঃ মাঃ ১ম)
„— „ বিপুল দাস (উঃ মাঃ ১ম)

৪০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
২য়— „ বিপুল দাস (উঃ মাঃ ২য়)

৮০০ মিটাৰ দৌৰ ঃ

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
২য়— „ বিপুল দাস (উঃ মাঃ ১ম)

ৰিলেৰেচ্ ঃ ১০০ × ৪

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
„ „ বিপুল দাস (উঃ মাঃ ১ম)
„ „ ৰিণ্টু ৰবা (উঃ মাঃ ১ম)
„ „ সূৰ্য কান্ত বড়ো (উঃ মাঃ ১ম)
২য়—শ্ৰীগোপীনাথ চৌধুৰী (উঃ মাঃ ১ম)
„ „ নিৰঞ্জন মণ্ডল (উঃ মাঃ ২য়)
„ মঃ চামচুল আলী (উঃ মাঃ ২য়)
„ „ চাহলীম আলী (উঃ মাঃ ২য়)

ৰিলেৰেচ্ ঃ ৪০০ × ৪

১ম—শ্ৰীজ্যোতিষ দাস (উঃ মাঃ ২য়)
„ „ বিপুল দাস (উঃ মাঃ ১ম)
„ „ পৱন ৰাভা (স্নাতক ৩য়)
„ „ মনোমোহন বসুমটাৰী (উঃ মাঃ ১ম)
২য়—শ্ৰীমুহিন কলিতা (উঃ মাঃ ১ম)
„ „ গোপীনাথ চৌধুৰী (উঃ মাঃ ১ম)
„ „ গণেশ ৰয় (উঃ মাঃ ১ম)
„ „ সুবিন ৰাভা (উঃ মাঃ ১ম)

হাই জাম্প ঃ

১ম—শ্ৰীপ্ৰসন্ন ৰাভা (উঃ মাঃ ১ম)
২য়— „ ৰাজেশ্বৰ বড়ো (উঃ মাঃ ২য়)

লং জাম্প ঃ

১ম—শ্ৰীসূৰ্য কান্ত বড়ো (উঃ মাঃ ১ম)
২য়— „ প্ৰসন্ন ৰাভা (উঃ মাঃ ১ম)

ট্ৰিপ্পুল জাম্প ঃ

১ম—শ্ৰীৰিণ্টু ৰবা (উঃ মাঃ ১ম)
২য়—মঃ মকিল আহমেদ (স্নাতক ২য়)
„ শ্ৰীসূৰ্য কান্ত বড়ো (উঃ মাঃ ১ম)

জেভ্‌লিন থ্ৰো ঃ

১ম—শ্ৰীদীপক কলিতা (উঃ মাঃ ১ম)
২য়— „ মতিলাল ৰাভা (স্নাতক ৩য়)
„ „ অমৰ দাস (স্নাতক ২য়)

ডিচ্‌কাচ থ্ৰো ঃ

১ম— শ্ৰীমনোৰঞ্জন ৰাভা (উঃ মাঃ ১ম)

২য়— ,, মতিলাল ৰাভা (স্নাতক ৩য়)

স্বট্‌ পুত ঃ

১ম—শ্ৰীমতিলাল ৰাভা (স্নাতক ৩য়)

২য়— ,, পুনিৰাম ৰাভা (স্নাতক ৩য়)

ভলীবল ঃ

চেম্পিয়ন শ্বিপ— স্নাতক ২য় বাৰ্ষিক দল

ৰাণাৰ্চ আপ— উঃ মাঃ ২য় বাৰ্ষিক দল

ক্ৰিকেট ঃ

চেম্পিয়ন শ্বিপ— উঃ মাঃ ২য় বাৰ্ষিক দল

ৰাণাৰ্চ আপ— স্নাতক ৩য় বাৰ্ষিক দল

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ—শ্ৰীজ্যোতিষ দাস।

## ঃ ছোৱালীৰ শাখা ঃ

১০০ মিটাৰ দৌৰ ঃ

১ম—মিচ্‌ সংঘামিত্ৰা বড়ো (উঃ মাঃ ১ম)

২য়— ,, দৈব্যে ৰাভা (স্নাতক ১ম)

২০০ মিটাৰ দৌৰ ঃ

১ম—মিচ্‌ সংঘামিত্ৰা বড়ো (উঃ মাঃ ১ম)

২য়— ,, দৈব্যে ৰাভা (স্নাতক ১ম)

৪০০ মিটাৰ দৌৰ ঃ

১ম—মিচ্‌ সংঘামিত্ৰা বড়ো (উঃ মাঃ ১ম)

২য়— ,, দৈব্যে ৰাভা (স্নাতক ১ম)

বিলেবেচ্‌ ঃ ১০০ x ৪

১ম—মিচ্‌ সংঘামিত্ৰা বড়ো

,, ,, জয়ানী বড়ো

,, ,, বিনীতা দাস

,, ,, বীণাপাণি ৰাভা

২য়— মিচ, দৈব্যে ৰাভা

,, ,, ৰীতা বসাক

,, ,, নমিতা বসাক

,, ,, প্ৰতিভা দাস

বেলেঞ্চ বেচ ঃ

১ম— মিচ্‌ সোণা বসুমটাৰী (উঃ মাঃ ১ম)

২য়— মিচ্‌ প্ৰতিভা দাস (স্নাতক ২য়)

জেভ্‌লিন থ্ৰো ঃ

১ম— মিচ্‌ সংঘামিত্ৰা বড়ো (উঃ মাঃ ১ম)

২য়— ,, বিনীতা দাস (উঃ মাঃ ১ম)

স্বট্‌ পুত ঃ

১ম— মিচ্‌ সংঘামিত্ৰা বড়ো (উঃ মাঃ ১ম)

২য়— ,, সোণা বসুমটাৰী (উঃ মাঃ ১ম)

ডিচকাচ্‌ থ্ৰো ঃ

১ম—মিচ্‌ সোনা বসুমটাৰী (উঃ মাঃ ১ম)

২য়— ,, ৰীতা বসাক (স্নাতক ৩য়)

ব্লাইণ্ড হিট ঃ

মিচ্‌ ৰঞ্জু গোস্বামী (উঃ মাঃ ১ম)

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ— মিচ্‌ সংঘামিত্ৰা বড়ো

## ঃ ছাত্ৰ জিৰণি কোঠা বিভাগৰ ফলাফল ঃ

কেৰম ঃ (একক)

চেম্পিয়ন শ্বিপ—শ্ৰীবিপুল দাস (উঃ মাঃ ১ম)

ৰাণাৰ্চ আপ— শ্ৰীগণেশ ৰয় (উঃ মাঃ ১ম)

কেৰম ঃ (দ্বৈত)

চেম্পিয়ন শ্বিপ— শ্ৰীনিৰঞ্জন মণ্ডল (উঃ মাঃ ২য়)

শ্ৰীগণেশ ৰয় (উঃ মাঃ ১ম)

ৰাণাৰ্চ আপ— শ্ৰীঅৰনী কুমাৰ ডেকা (স্নাতক ১ম)

শ্ৰীপূৰ্ণেন্দু ৰাভা (স্নাতক ১ম)

বেডমিণ্টন ঃ ( একক )

চেম্পিয়ন শ্বিপ—শ্ৰীজ্যোতিষ দাস ( উঃ মাঃ ২য় )

বাণাৰ্চ আপ—শ্ৰীসুনীল ঠাকুৰীয়া (স্নাতক ২য়)

বেডমিণ্টন ঃ ( দ্বৈত )

চেম্পিয়ন শ্বিপ—শ্ৰীদিলীপ দাস ( স্নাতক ১ম )

" লক্ষেশ্বৰ হাজৰিকা (স্নাতক ১ম)

বাণাৰ্চ আপ—শ্ৰীজ্যোতিষ দাস ( উঃ মাঃ ২য় )

মঃ আমজেদ আলী ( স্নাতক ২য় )

## ঃ ছাত্ৰী জিৰণি কোঠা বিভাগৰ ফলাফল ঃ

ৰিং ঃ ( এজনীয়া )

১ম—মিচ্ ৰীতা বসাক ( স্নাতক ৩য় )

২য় - " আৰতি কলিতা ( উঃ মাঃ ১ম )

ৰিং ঃ ( দুজনীয়া )

১ম—মিচ্ ৰীতা বসাক ( স্নাতক ৩য় )

" নমিতা বসাক ( স্নাতক ৩য় )

২য়—মিচ্ বুলু ৰাণী দাস ( স্নাতক ৩য় )

" কণমাই ৰাভা ( স্নাতক ৩য় )

বেডমিণ্টন ঃ ( এজনীয়া )

১ম—মিচ্ ৰীতা বসাক ( স্নাতক ৩য় )

২য় - " বঞ্জুৰাণী গোস্বামী ( উঃ মাঃ ১ম )

পুষ্প সজা ঃ

১ম—মিচ্ নমিতা বসাক ( স্নাতক ৩য় )

২য়— " উমা কলিতা ( স্নাতক ১ম )

## ঃ সাংস্কৃতিক বিভাগৰ ফলাফল ঃ

বৰগীত ঃ

১ম—মিচ্ পদুমী পাঠক ( উঃ মাঃ ১ম )

২য়— " জুৰি বৰুৱা ( উঃ মাঃ ১ম )

আধুনিক গীত ঃ

১ম—মিচ্ দিপীকা কলিতা ( স্নাতক ১ম )

২য়— " জুৰি বৰুৱা ( উঃ মাঃ ১ম )

জ্যোতি সংগীত ঃ

১ম—মিচ্ জুৰি বৰুৱা ( উঃ মাঃ ১ম )

২য়— " দিপীকা কলিতা ( স্নাতক ১ম )

বিষ্ণু ৰাভা সংগীত ঃ

১ম মিচ্ জুৰি বৰুৱা ( উঃ মাঃ ১ম )

২য়— " দিপীকা কলিতা ( স্নাতক ১ম )

ভজন ঃ

১ম—মিচ্ জুৰি বৰুৱা ( উঃ মাঃ ১ম )

২য় — " দিপীকা কলিতা ( স্নাতক ১ম )

গজল ঃ

১ম—মিচ্ জুৰি বৰুৱা ( উঃ মাঃ ১ম )

২য়— " দিপীকা কলিতা ( স্নাতক ১ম )

বড়োগীত ঃ

১ম—শ্ৰীহৰিনাৰায়ণ ৰয় ( স্নাতক ২য় )

২য়- " সোণা বসুমটাৰী ( উঃ মাঃ ১ম )

ৰাভাগীত ঃ

১ম—মিচ্ পদুমী পাঠক ( উঃ মাঃ ১ম )

২য়— " দিপীকা কলিতা ( স্নাতক ১ম )

ভূপেন্দ্ৰ সংগীত ঃ

১ম—মিচ্ জুৰি বৰুৱা ( উঃ মাঃ ১ম )

২য়— " পদুমী পাঠক ( উঃ মাঃ ১ম )

লোকগীত ঃ

১ম—শ্ৰীহৰিনাৰায়ণ ৰয় ( স্নাতক ২য় )

২য়—মিচ্ পদুমী পাঠক উঃ মাঃ ১ম )

বনগীত ঃ

১ম—মিচ্‌ জুবি বৰুৱা ( উঃ মাঃ ১ম )
২য়— ,, পত্নমী পাঠক ( উঃ মাঃ ১ম )

বিহুগীত ঃ

১ম—মিচ্‌ পত্নমী পাঠক ( উঃ মাঃ ১ম )
২য়— ,, জুৰি বৰুৱা ( উঃ মাঃ ১ম )

জিকিৰ ঃ

১ম—শ্ৰীপংকজবীৰ দাস ( উঃ মাঃ ২য় )
২য়— ,, হৰিনাৰায়ণ ৰয় ( স্নাতক ২য় )

বছৰৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী—মিচ্‌ জুবি বৰুৱা

ভেশছন ঃ

১ম—মিচ্‌ কনকলতা বায়ন ( স্নাতক ৩য় )
২য়—শ্ৰীমোহন বৈশ্য ( উঃ মাঃ ১ম )

একক অভিনয় ঃ

নিচুকনি বঁটা—শ্ৰীঅৰনী কুমাৰ ডেকা (স্নাতক ১ম)

কৌতুক ঃ

নিচুকনি বঁটা—শ্ৰীগোপীনাথ চৌধুৰী উঃ মাঃ ১ম)

শ্ৰেষ্ঠ নাট্য দল—"মৌন শৃংখল"

শ্ৰেষ্ঠ অভিনেতা—শ্ৰীকমল কলিতা ( স্নাতক ২য় )

শ্ৰেষ্ঠা অভিনেত্ৰী ঃ

নিচুকনি বঁটা - মিচ্‌ ৰঞ্জু গোস্বামী (উঃ মাঃ ১ম)

একক বিহু নৃত্য ঃ

১ম—মিচ্‌ পৰী বৰুৱা ( উঃ মাঃ ১ম )
২য়— ,, ৰঞ্জু গোস্বামী ( উঃ মাঃ ১ম )

আধুনিক নৃত্য

১ম—মিচ্‌ উমা কলিতা ( স্নাতক ১ম )
২য়— ,, পৰী বৰুৱা ( উঃ মাঃ ১ম )
,, ,, ৰঞ্জু গোস্বামী ( উঃ মাঃ ১ম )

## ঃ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ

অসমীয়া চুটি গল্প ঃ

১ম - শ্ৰীনিৰ্মল দাস ( স্নাতক ১ম )
২য়— ,, অতুল দাস ( স্নাতক ১ম )
,, ,, গজমতী সাহা ( স্নাতক ১ম )

অসমীয়া কবিতা ঃ

১ম—শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা ( স্নাতক ৩য় )
২য়— ,, গোপাল চন্দ্ৰ কলিতা ( উঃ মাঃ ১ম )
,, ,, ৰজনী কান্ত বড়ো ( উঃ মাঃ ১ম )

## ঃ আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ

(ক) অসমীয়া ঃ

১ম—মিচ্‌ ৰঞ্জু গোস্বামী ( উঃ মাঃ ১ম )
২য়—শ্ৰীনলিনী কুঃ খাখলাৰী ( উঃ মাঃ ১ম )

(খ) ইংৰাজী ঃ

১ম—শ্ৰীপংকজবীৰ দাস ( উঃ মাঃ ১ম )
২য়— , নলিনী কুঃ খাখলাৰী ( উঃ মাঃ ১ম )

## ঃ তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম—মিচ্‌ ৰঞ্জু গোস্বামী ( উঃ মাঃ ১ম )
২য় - শ্ৰীনলিনী কুঃ খাখলাৰী ( উঃ মাঃ ১ম )

## ঃ আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম—মিচ্‌ বুলুৰাণী দাস ( স্নাতক ৩য় )
২য়—শ্ৰীলক্ষেশ্বৰ হাজৰিকা ( স্নাতক ১ম )

## ঃ কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ

১ম দল—(ক) মিচ্‌ নমিতা বসাক
(খ) ,, বীতা বসাক
(গ) মঃ ফৰিদুল ইচলাম

(ঘ) শ্ৰীকমলেশ্বৰ চৌধুৰী
(ঙ) মিচ্ বুলুৰাণী দাস
২য় দল – (ক) শ্ৰীঅমৰ দাস
(খ) ,, ক্ষীৰোদ শৰ্মা
(গ) ,, কমল কলিতা
(ঘ) ,, দিলীপ দাস
(ঙ) ,, মেঘৰাম মেধি

**ঃ সমাজ সেৱা বিভাগৰ বঁটা বিজয়ীসকল ঃ**

১ম—শ্ৰীকমল চৌধুৰী ( স্নাতক ৩য় )
,, বকুল বৰা ( উঃ মাঃ ১ম )
২য়—শ্ৰীঅমৰ দাস ( স্নাতক ২য় )
,, প্ৰদীপজ্যোতি নাথ ( স্নাতক ১ম )
৩য়—শ্ৰীপ্ৰতাপ কলিতা ( উঃ মাঃ ১ম )
,, ৰাধা ৰাভা ( উঃ মাঃ ১ম )

# ভুল-শুধৰণি (অসমীয়া শাখা)

| পৃষ্ঠা | পেৰাগ্ৰাফ | শাৰী | ভুল | শুধৰণি |
|---|---|---|---|---|
| ঘ | ১ | ৫ | ছাত্ৰ-ছ্যাত্ৰী | ছাত্ৰ-ছাত্ৰী |
| ঘ | ৩ | ২ | সাম্প্ৰতিক | সম্প্ৰতি |
| ঙ | ৩ | ৬ | অন্য উপায় | অসৎ উপায় |
| চ | ২ | ২০-২১ | মৌখিক কথা | মৌলিক কথা |
| চ | ২ | ২৪ | কবি থক | কবি থকা |
| ছ | ১ | ৪ | কিতাপ | কিতাপব |
| ১০ | 'মোৰ কবিতা' | ১৬ | জাবত | জাৰত |
| ১২ | 'আগত দিনৰ প্ৰতিজ্ঞা' | ৩ | অকাংখিত | আকাঙ্ক্ষিত |
| ৩৩ | ৩ | ১৬ | বাঞ্ছিক | বাঞ্ছিত |
| ৩৫ | ১ | ৯ | পটভূমিও | পটভূমিত |
| ৪১ | ২ | ১১ | If | It |
| ৪৬ | ২ | ২ | কবিতা | সবিতা |
| ৪৮ | ১ | ১৫ | মেক | মোক |
| ৫০ | ২ | ১২ | লোৱাব | লোৱাত |
| ৫৯ | ১ | ১০ | মত | মন |
| ৬২ | — | ৩৬ | সকাল | সকলে |
| ৬৩ | — | ১ | সমসামৰিক | সমসাময়িক |
| ৬৩ | — | ৩ | আমৰ | অসমৰ |
| ৬৪ | ২ | ২ | | |

(ছপাত বাদ পৰি যোৱা পেৰাগ্ৰাফৰ শিৰোনামাৰ ঠিক পাছৰ বাক্যাংশ—অসমীয়া সাহিত্যৰ স্বনামধন্য সাহিত্যিক সাংবাদিক জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক ·· ··· )

| | | | | |
|---|---|---|---|---|
| ৬৭ | ১ | ১৮ | কষ্ট-কম্পিত | কষ্ট-কল্পিত |
| ৬৭ | ফুটনোট | ২ | দাস | দাসে |

[ এইবোৰৰ উপৰিও অজানিতে হব পৰা অন্যান্য ভুল-ত্ৰুটীৰ বাবেও আমি আগতীয়াকৈ ক্ষমা চাইছোঁ । ]

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৰেঙণি ঃ



ছমবীয়াত অনুষ্ঠিত (২৬-১০-৮৮ ৰ পৰা ৩১-১০-৮৮ লৈ) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ বাৰ্ষিক শিবিৰত কৰ্মৰত অৱস্থাৰ এটি বিশেষ মুহূৰ্তত অধ্যক্ষৰ সৈতে আমাৰ স্বেচ্ছাসেৱক সকল।